**14 (ASM-2) 2026**

**2024**

**ASSAMESE**

Paper : ASM-2026

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১ নং প্ৰশ্নৰপৰা *যিকোনো পাঁচটাৰ* উত্তৰ লিখা।

২ নং প্ৰশ্ন *বাধ্যতামূলক*।

১। (ক) 'বিদ্যা আৰু গিয়ান লাভৰ ফল কি?' — পাঠটিৰ আধাৰত নিধিলিবাই ফাৰবেলৰ গদ্যৰীতি সম্পৰ্কে আলোচনা কৰা। ১২

(খ) 'অনাড়ম্বৰ গদ্যশৈলী, ভাবৰ স্পষ্টতা আৰু ঘৰুৱা প্ৰকাশভংগীয়ে আনন্দৰাম ঢেকিয়াল ফুকনৰ ভাষাৰীতিক বিশিষ্টতা প্ৰদান কৰিছে।' — তোমাৰ পাঠৰ আধাৰত উক্ত মন্তব্যফাঁকিৰ যথাৰ্থতা বিচাৰ কৰা। ১২

(গ) 'চাতুৰ্যপূৰ্ণ প্ৰকাশিকা শক্তি আৰু ভাষিক ঐশ্বৰ্যই বেজবৰুৱাৰ গদ্যক এক স্বতন্ত্ৰ ষ্টাইল প্ৰদান কৰিছে।' — বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ আলমত মন্তব্যটি বিচাৰ কৰা। ১২

(ঘ) 'কম কথাত ভাবৰ বহল প্ৰকাশ সত্যনাথ বৰাৰ গদ্যৰ বিশেষত্ব' — কথাষাৰ পৰ্যালোচনা কৰা। ১২

(ঙ) 'সৌন্দৰ্যৰ প্ৰতাৰনা' পাঠটিৰ আধাৰত বাণীকান্ত কাকতিৰ সমালোচনামূলক গদ্যৰীতিৰ বিষয়ে আলোচনা কৰা। ১২

(চ) 'ত্ৰৈলোক্যনাথ গোস্বামীৰ সমালোচনামূলক ৰচনাৱাজি সৰল, যুক্তিনিষ্ঠ আৰু তথ্যভিত্তিক' — উক্ত কথাশাৰী নিৰ্বাচিত পাঠৰ আলমত যুক্তিসহকাৰে প্ৰতিপন্ন কৰা। ১২

(ছ) অতুল চন্দ্ৰ বৰুৱাৰ গদ্যত ৰোমান্টিক গদ্যৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা। ১২

(জ) 'হোমেন বৰগোহাঞিৰ গদ্যত পাশ্চাত্য প্ৰভাৱ' — এই সন্দৰ্ভত এটা নিবন্ধ যুগুত কৰা। ১২

২। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) 'অৰুণোদই যুগৰ' গদ্যৰ বিশেষত্ব

(খ) কৃষ্ণকান্ত সন্দিকৈৰ গদ্যশৈলীত বৰ্ণনাত্মক ৰীতিৰ প্ৰাধান্য



(গ) কালিৰাম মেধিৰ গদ্যত যুক্তিনিষ্ঠতাৰ প্ৰকাশ

(ঘ) হীৰেন গোহাঁইৰ গদ্যত যুক্তিৰ ক্ৰম

(ঙ) ৰত্নেশ্বৰ মহন্তৰ গদ্যৰীতি

(চ) আধুনিক অসমীয়া গদ্যৰ উত্থান

———



1000